# অসম আদিত্য

৯ শাওণ, ১৯৪৫ শক ■ বুধবাৰ, ২৬ জুলাই, ২০২৩ ■ Asom Aditya, Dibrugarh, Wednesday, July 26, 2023 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহ


### যাতায়াত সম্পূৰ্ণৰূপে ব্যাহত

## চেলেংহাটত ধোদৰআলি সংযোগী দলং খহিল

[প্ৰতি]বেদক, আমগুৰি, ২৫ জুলাই ঃ যোৰহাট জিলাৰ চেলেংহাটৰ চেলে[ং] ... পঞ্চায়তৰ অন্তৰ্গত টেঙাবাৰী আৰু চেলেং চাহ বাগিচাৰ পৰা ধোদৰআলি [সং]যোগী মূল পথটোৰ টেঙাবাৰী নৰ্দমাৰ ওপৰত থকা পকী দলংখন আজি ... খহি পৰে। উল্লেখ্য যে বৰষুণৰ পানীৰ ফলত দলংখনৰ ৬ পৃষ্ঠা

## আমি মণিপুৰৰ শান্তিৰ বাবে অ

সদনত উত্তাল

# বিৰোধীক ল



নতুন দি
উত্তপ্
লো
বিৰোধ
তোলে।
পিছত
লোকস
পৰিস্থিতি
হাতে
পায়গৈ।
স্থগি

হ কাৰ্যসূচীত সাধাৰণ সম্পাদক

## ৩১ জুলাইত ড° শশীকান্ত শইকীয়াৰ দুখন গ্ৰন্থ উন্মোচন

ডিব্ৰুগড়, ২৫ জুলাই ঃ ডিব্ৰুগড় সাহিত্য সভাৰ উদ্যোগত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ, ডিব্ৰুগড় সাহিত্য সভাৰ সভাপতি, স্নেহবন্ধনৰ সাধাৰণ সম্পাদক, বিশিষ্ট লেখক, সাহিত্যিক কৰ্মসূৰ্য ড০ শশীকান্ত শইকীয়াৰ 'জীৱন বাঁহীৰ সুৰ' আৰু 'ভৱিষ্যতৰ ৰাজনীতি' শীৰ্ষক দুখনকৈ গ্ৰন্থ ৩১ জুলাইত উন্মোচনৰ দিহা কৰিছে। উক্ত গ্ৰন্থ উন্মোচনী অনুষ্ঠানত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ জিতেন হাজৰিকা, শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ জে পি বাৰ্মাই গ্ৰন্থ উন্মোচক হিচাপে আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ ডীন অৱ ছায়েঞ্চ, প্ৰাণীবিজ্ঞান বিভাগৰ মুৰব্বী তথা অসমৰ এগৰাকী বিশিষ্ট শিক্ষাবিদ ড০ যোগেনচন্দ্ৰ কলিতা, লখিমপুৰ জিলাৰ আৰক্ষী অধীক্ষক আনন্দ মিশ্ৰ আৰু ডিব্ৰুগড় জিলাৰ আৰক্ষী অধীক্ষক শ্বেতাংক মিশ্ৰ বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব। উল্লেখ্য যে ৩১ জুলাইৰ আবেলি ৪ বজাৰ পৰা অনুষ্ঠিত হ'বলগীয়া গ্ৰন্থ উন্মোচনী অনুষ্ঠানত সমূহ শুভাকাংক্ষী ৰাইজৰ উপস্থিতি কামনা কৰিছে ডিব্ৰুগড় সাহিত্য সভাৰ সম্পাদক ৰাতুল বুঢ়াগোহাঁয়ে। মনকৰিবলগীয়া যে অসম আদিত্যকে ধৰি অসমৰ আগশাৰীৰ কেইবাখনো কাকত-আলোচনীত ড° শইকীয়াই নিয়মীয়াকৈ প্ৰবন্ধ আদি লিখি আহিছে। নতুনকৈ প্ৰকাশ পাবলগীয়া গ্ৰন্থ দুখনত সেইসমূহ ৰচনাও সন্নিৱিষ্ট হৈছে।

### সামৰণী অনুষ্ঠানত অংশগ্ৰহণকাৰীস

## কানৈ মহাবিদ্যালয়ত গ্ৰী

ডিব্ৰুগড়, ২৫ জুলাই ঃ ষ্টে' ফিট যোগ কেন্দ্ৰৰ উদ্যোগত আৰু ডিএইচএছ কানৈ মহাবিদ্যালয়, ডিব্ৰুগড় টাইকোৱাণ্ডো একাডেমীৰ সহযোগত ২৪ জুলাইৰ পৰা ২৯ জুলাইলৈ ৭ দিনীয়া এক যোগাসন কৰ্মশালা অনুষ্ঠিত হৈছে। ২৪ জুলাইৰ পুৱা ৬.৩০ বজাৰ পৰা অনুষ্ঠিত হোৱা কৰ্মশালাখন উদ্বোধন কৰে ডিএইচএছ কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই। উদ্বোধনী ... অধ্যক্ষগৰাকীয়ে কয়— জীৱনক সুন্দ[ৰ] ... হ'লে স্বাস্থ্যৰ প্ৰতি যত্ন ল'ব লাগিব। স্ব[াস্থ্য] ... কৰি ৰাখিবলৈ হ'লে শৰীৰ চৰ্চা কৰাটো ... প্ৰয়োজন। যোগাসনৰ কথা অৱগত ... স্বাস্থ্যৰ ক্ষেত্ৰত যোগাসনৰ গুৰুত্ব সম্প[ৰ্কে] ... তত্ত্বগধুৰ কথা উল্লেখ কৰে। লগতে তে...

## মহিলাক পাশৱিক নিৰ্যাতন ঃ চাবুৱাত চি ডব্লিউ ইউৰ প্ৰতিবাদ

প্ৰতিবেদক, চাবুৱা, ২৩ জুলাই ঃ এটা ভিডিঅ'ক কেন্দ্ৰ কৰি পুনৰ উত্তপ্ত হৈ পৰা মণিপুৰৰ ঘটনাই সমগ্ৰ বিশ্বতে তীব্ৰ প্ৰতিক্ৰিয়া সৃষ্টি হৈছে। উল্লেখ্য যে দুগৰাকী কুকি মহিলাক এদল লোকে উলংগ কৰি অমানুষিক নিৰ্যাতন চলাই পথত পেৰেড তথা সমদল উলিওৱা নিৰ্লজ্জ কাণ্ডই দেশৰ ১৪০ কোটি জনতাক বিশ্ব চাক্ষুত লজ্জানত কৰোৱা ঘটনাৰ প্ৰতিক্ৰিয়া অব্যাহত আছে। দেশৰ প্ৰান্তে প্ৰান্তে ইয়াৰ বিৰুদ্ধে প্ৰতিবাদ গঢ়ি উঠিছে। অসমৰ অন্যান্য প্ৰান্তৰ দৰে চাবুৱাতো মণিপুৰৰ ঘটনাৰ উচ্চ পৰ্যায়ৰ তদন্তৰ বিচাৰি লগতে দোষীক শীঘ্ৰেই শাস্তিৰ দাবীত আজি এক প্ৰতিবাদী কাৰ্যসূচী পালন কৰে। চি পি আই(ML) ৰ ভগ্নী সংগঠন কনষ্ট্ৰাকটৰ ওৱৰ্কাৰ্ছ ইউনিয়ন (Constructor Workers' Union )এ এই প্ৰতিবাদ সাব্যস্ত কৰে। সংঘৰ বহু সদস্য-সদস্যা তথা শতাধিক শ্ৰমিক ৰাইজে চাবুৱা নগৰৰ ৩৭ নং ৰাজপথলৈ ওলাই হাতে হাতে প্লে'-কাৰ্ড লৈ মণিপুৰৰ ঘটনাক নিন্দা কৰাৰ উপৰি ঘটনাৰ উচ্চ পৰ্যায়ৰ তদন্ত বিচাৰি দোষীক কৰায়ত্ত কৰি উচিত শাস্তি দাবী কৰে। উল্লেখ্য যে ইতিমধ্যে এই কাণ্ডৰ মূল অভিযুক্ত থৌবাল জিলাৰ খৈৰাম হীৰাদাসক গ্ৰেপ্তাৰ কৰিছে মণিপুৰ আৰক্ষীয়ে।

## জৈ

প্ৰতিবেদক, চাবু
অধীনৰ কৃষি বি
বিশমাইল চুঙী
অনুষ্ঠিত হৈ য
দিনজয় গাঁও
tional Rur
কৃষি সুখীৰ উ
কেইবাটাও অ
জৈৱিক সাৰ প্ৰ
প্ৰণালী বিষয়ত
সমল ব্যক্তি
কৃষি বিভাগৰ
পঞ্চায়তৰ কৃ
অনুষ্ঠানত অতি
আদৰ্শ কৃষক

## হীৰেন ভট্টাচাৰ্যৰ ও

প্ৰতিবেদক, চাবুৱা, ২৫ জুলাই ঃ ডিব্ৰুগড় জিলা কবি সন্মিলনৰ অন্তৰ্গত অন্যতম শক্তিশালী চাবুৱা শাখা কবি সন্মিলনৰ উদ্যোগত সুগন্ধি পখিলাৰ স্ৰষ্টা হীৰেন ভট্টাচাৰ্যৰ ওপজা দিনৰ উপলক্ষত ২৮ জুলাইত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত কবিতা আবৃত্তি প্ৰতি... বজাৰপৰা আৰম্ভ হ'ব... অনুষ্ঠিত হ'ব বুলি আ... অষ্টম শ্ৰেণীলৈকে নি...

